# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 23-11-2025

**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *Headlines*

০০০০০০

১। জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ নেতৃত্বৰ শীৰ্ষ সন্মিলনৰ আজি সামৰণি পৰিব।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ সংঘৰ্ষৰ শীঘ্ৰেই অৱসান ঘটাই স্থায়ী শান্তি প্ৰতিষ্ঠা কৰা বিষয়টোৰ প্ৰতি ভাৰতৰ সমৰ্থন দোহাৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কৈছে যে ভাৰত আৰু ইজৰাইলে তেওঁলোকৰ প্ৰস্তাৱিত মুক্ত বাণিজ্য চুক্তি দুটা পৰ্যায়ত ৰূপায়ণৰ বিষয়টো বিবেচনা কৰি আছে।

৪। ছিদনীত অনুষ্ঠিত পুৰুষৰ অষ্ট্ৰেলিয়ান অ'পেন ২০২৫ ছিংগলছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে খিতাপ দখল কৰিছে। *আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত ক্ৰিকেট টেষ্ট শৃংখলাৰ গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় তথা অন্তিমখন টেষ্টৰ আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই ভোজন বিৰতিৰ পৰলৈ ৭টা উইকেটৰ বিনিময়ত ৪২৮ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০০

জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ নেতৃত্বৰ শীৰ্ষ সন্মিলনৰ আজি সামৰণি পৰিব। আফ্ৰিকাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা শুকুৰবাৰে তিনিদিনীয়া কাৰ্যসূচীৰে জোহান্সবাৰ্গত উপস্থিত হয়। এই শীৰ্ষ সন্মিলনৰ অৱসৰত প্ৰধানমন্ত্ৰী মোদীয়ে আজি দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছাৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ পাছত ভাৰত-ব্ৰাজিল-দক্ষিণ আফ্ৰিকা, আই বি এছ এৰ নেতৃবৰ্গৰ এখন বৈঠকতো ভাগ লয়। এই বৈঠকত তেওঁৰ সৈতে ভাৰতীয় প্ৰতিনিধি দলৰ সদস্যসকলেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে আই বি এছ এ হ'ল এছিয়া, দক্ষিণ আমেৰিকা আৰু আফ্ৰিকাৰ ক্ৰমবৰ্ধমান অৰ্থনীতি আৰু বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহক একগোট কৰা এখন অন্যতম ত্ৰিদেশীয় মঞ্চ। এই তিনিওখন দেশেই উন্নয়নৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ লগতে সংস্কৃতি, জনগাঁথনি, ভাষা, ধৰ্ম আদিৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজৰ ক্ষেত্ৰত একে ধৰণৰ বৈশিষ্ট্য বহন কৰি আহিছে।

জি-২০ শীৰ্ষ সন্মিলনৰ আজি আয়োজিত সামৰণি অনুষ্ঠানত বিশ্বৰ অন্যান্য দেশৰ নেতৃবৰ্গৰ সৈতে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ দিব। এই শীৰ্ষ সন্মিলনৰ মাজতে তেওঁ জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি, কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি আৰু ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিৰ সৈতেও একোখন দ্বিপাক্ষিক বৈঠকত ভাগ লোৱাৰ সম্ভাৱনা আছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ সংঘৰ্ষৰ শীঘ্ৰেই অৱসান ঘটাই স্থায়ী শান্তি প্ৰতিষ্ঠা কৰা বিষয়টোৰ প্ৰতি ভাৰতৰ সমৰ্থন দোহাৰিছে। ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী আন্দ্ৰেই ছিবিহাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰাৰ পাছত সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা

এটা বাৰ্তাত তেওঁ এই বিষয়ে উল্লেখ কৰে। দেশ দুখনৰ মাজৰ সংঘৰ্ষ সন্দৰ্ভত পৰিলক্ষিত হোৱা শেহতীয়া অগ্ৰগতিৰ বিষয়টোৰ তেওঁ শলাগ লয়।

oooooo

জলবায়ু পৰিৱৰ্তনৰ সমস্যাটো সৃষ্টি কৰাৰ ক্ষেত্ৰত কম দায়িত্বশীল দেশসমূহক জলবায়ু পৰিৱৰ্তন প্ৰশমনৰ অধিক বোজা জাপি দিয়াটো উচিত নহয় বুলি ভাৰতে সতৰ্ক কৰি দিছে। ব্ৰাজিলত অনুষ্ঠিত ৩০ সংখ্যক চি অ' পি সন্মিলনৰ সামৰণি সত্ৰত এখন উচ্চস্তৰীয় বিজ্ঞপ্তিৰ জৰিয়তে ভাৰতে এই কথা প্ৰকাশ কৰিছে। ভাৰতে জলবায়ু পৰিৱৰ্তনৰ বৰ্দ্ধিত প্ৰভাৱৰ দ্বাৰা অস্তিত্বৰ সংকটত পৰা লোকসকলৰ সুৰক্ষাৰ বাবে সমগ্ৰ বিশ্বৰ সহযোগিতাৰ বাবে আহ্বান জনায়। এই দিশত একত্ৰিত হৈ সমন্বয়েৰে কাম কৰি যাবলৈ ভাৰতে সকলোৰে প্ৰতি আহ্বান জনাইছে।

oooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অৰ্থনৈতিক সম্পৰ্ক বিভাগৰ সচিব সুধাকৰ দালেলাই ভাৰতৰ বাবে জোহান্সবাৰ্গৰ জি-২০ শীৰ্ষ সন্মিলনৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। জোহান্সবাৰ্গত কালি এখন বিশেষ সংবাদমেল সম্বোধন কৰি শ্ৰীদালেলাই কয় যে সংহতি, সমতা আৰু স্থায়ীত্বৰ বিষয়বস্তুৰে অনুষ্ঠিত এইবাৰৰ জি-২০ শীৰ্ষ সন্মিলনে দক্ষিণ আফ্ৰিকীয় অধ্যক্ষতাৰ সময়ত চিনাক্ত কৰা চাৰিটা মূল অগ্ৰাধিকাৰৰ বিষয় সন্দৰ্ভত এটা শক্তিশালী বাৰ্তা প্ৰকাশ কৰিছে। তেওঁ কয় যে ভাৰতৰ জি-২০ অধ্যক্ষতাৰ সময়ত গ্ৰহণ কৰা বিভিন্ন উদ্যম আৰু ইয়াৰ পৰা লাভ কৰা ফলাফলে বৰ্তমান সময়ত সঠিক দিশত গতি লাভ কৰিছে। সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণৰ বিষয়ে উল্লেখ কৰি শ্ৰীদালেলাই কয় যে প্ৰধানমন্ত্ৰীয়ে, দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাৰ সময়ত দক্ষ লোকৰ প্ৰব্ৰজন, পৰ্যটন, খাদ্য সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল অৰ্থনীতি, উদ্ভাৱন আৰু মহিলাৰ সৱলীকৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক লৈ সম্পন্ন কৰা কাম-কাজসমূহ শলাগ লয়।

সৰ্বাত্মক বিকাশ, উন্নয়ন আৰু সকলোৰে উন্নতি সাধনৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে সচিবগৰাকীয়ে এই শীৰ্ষ সন্মিলনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰস্তাৱ আগবঢ়োৱা ছটা নতুন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। এই প্ৰস্তাৱসমূহৰ ভিতৰত আছে গোলকীয় পৰম্পৰাগত জ্ঞানৰ ভাণ্ডাৰ, আফ্ৰিকীয় দক্ষতামূলক বহুমুখী কাৰ্যসূচী, গোলকীয় স্বাস্থ্য যতন সঁহাৰি গোট, মাদকদ্ৰব্য সৰবৰাহ ৰোধ, কৃত্ৰিম উপগ্ৰহীয় তথ্য অংশীদাৰিত্ব আৰু গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ বিষয়ক পদক্ষেপক অন্তৰ্ভুক্ত কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে সন্মিলনৰ কালি প্ৰথম দিনা দুখন সত্ৰত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে এই পদক্ষেপসমূহ বিকাশ, উন্নয়ন আৰু সমূহীয়া কল্যাণৰ প্ৰতি ভাৰতৰ যি সামূহিক দৃষ্টিভংগী, তাকেই দাঙি ধৰিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই পদক্ষেপসমূহে সামগ্ৰিক বিকাশৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব।

সামগ্ৰিক আৰু বহনক্ষম অৰ্থনৈতিক বিকাশ বিষয়ক প্ৰথনখন সত্ৰত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে জি-২০ গোলকীয় পৰম্পৰাগত জ্ঞানৰ ভাণ্ডাৰে ভৱিষ্যৎ প্ৰজন্মৰ মানৱীয় কল্যাণৰ দিশত সামূহিক জ্ঞান আহৰণ প্ৰক্ৰিয়াত সহায়ক হ'ব।

প্ৰধানমন্ত্ৰী মোদীয়ে জি-২০ গোলকীয় স্বাস্থ্য যতন সঁহাৰি গোট গঠন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে স্বাস্থ্যৰ জৰুৰী অৱস্থা তথা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ বিশ্বই একেলগে কাম কৰাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে। তেওঁ কয়, যে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সময়ত জি-২০ সদস্য ৰাষ্ট্ৰৰ এটা প্ৰশিক্ষিত চিকিৎসা বিশেষজ্ঞৰ দল সাজু কৰি ৰখা উচিত। মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহ

বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে এনে ধৰণৰ সৰবৰাহ ৰোধ কৰাৰ বাবে জি-২০য়ে পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে লগতে মাদকদ্ৰব্যৰ সৰবৰাহৰ লগত জড়িত অৰ্থনীতি দুৰ্বল কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহক একত্ৰিত হ'বলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে অহা দশকত আফ্ৰিকাৰ বাবে বিভিন্ন দক্ষতামূলক পদক্ষেপ গ্ৰহণ কৰি ১০ লাখ লোকক প্ৰশিক্ষণেৰে সাজু কৰি তোলাৰ বাবে বাবে প্ৰস্তাৱ দিয়ে। ইয়াৰ ফলত আফ্ৰিকাৰ সামৰ্থ বৃদ্ধি পোৱাৰ লগত উন্নয়নৰ এটা দীৰ্ঘ ম্যাদি পৰিকাথামো গঢ়ি উঠিব। শ্ৰী মোদীয়ে জি-২০ৰ অধীনত গোলকীয় পৰম্পৰাগত জ্ঞানৰ ভাণ্ডাৰ স্থাপন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে ভাৰতৰ পৃষ্ঠপোষকতাত ভৱিষ্যৎ প্ৰজন্মৰ বাবে বহনক্ষম পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়।

স্থিতিস্থাপক বিশ্ব বিষয়ক দ্বিতীয়খন সত্ৰত ভাগ লৈ প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ সংক্ৰান্তিয় পদক্ষেপৰ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ জৰিয়তে সামগ্ৰীৰ পুনৰ নিৰ্মাণ, নগৰীয়া খনন তথা উদ্ভাৱনৰ ক্ষেত্ৰত সহায়ক হ'ব। শ্ৰী মোদীয়ে কয়, যে এই পদক্ষেপ সমূহৰ জৰিয়তে যোগান শৃংখলা সুৰক্ষা শক্তিশালী কৰা আৰু উন্নয়নৰ পথ মসৃণ কৰি তোলাৰ উদ্দেশ্য নিহিত হৈ আছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত বহনক্ষম আৰু স্বচ্ছ শক্তি আহৰণৰ লক্ষ্যত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। উপগ্ৰহীয় তথ্য অংশীদাৰিত্বৰ জৰিয়তে জি-২০ৰ অন্তৰ্গত দেশসমূহে কৃষি, মীন, দুৰ্যোগ ব্যৱস্থা আদিৰ ক্ষেত্ৰত কাৰ্যসূচী গ্ৰহণত সহায়ক হ'ব। এই একেটা সত্ৰত ভাগ লৈ শ্ৰী মোদীয়ে গোলকীয় খাদ্য সুৰক্ষা শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতত পূৰ্বে অনুষ্ঠিত জি-২০ সন্মিলনত গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাত অনুষ্ঠিত জি-২০ গোটে পৰ্যটন, খাদ্য সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল অৰ্থনীতি, উদ্ভাৱন আৰু মহিলাসৱলীকৰণৰ ক্ষেত্ৰত কৰা কামৰ বাবে প্ৰশংসা কৰে। তেওঁ কয়, যে নতুন দিল্লীত অনুষ্ঠিত জি-২০ সন্মিলনত গ্ৰহণ কৰা ঐতিহাসিক সিদ্ধান্তসমূহকো গতি দিয়াত ই সফল হৈছে।

000000

ভিয়েটনামৰ শেহতীয়া বান আৰু গৰাখহনীয়াৰ ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৯০লৈ বৃদ্ধি পাইছে। এই দুৰ্যোগৰ ফলত বৰ্তমানলৈ আন ১২গৰাকী লোক সন্ধানহীন হৈ আছে। ধাৰাসাৰ বৰষুণ আৰু বানৰ ফলত এহেজাৰ ১৫৪টা বাসগৃহ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ৮০ হাজাৰ ৮০০ হেক্টৰতকৈও অধিক পৰিমাণৰ কৃষিভূমিৰ ধান আৰু অন্যান্য শস্য বানৰ কবলত পৰা বুলি তথ্যত প্ৰকাশ পাইছে। শেহতীয়া এই ঘটনাত হোৱা ক্ষতিৰ পৰিমাণ প্ৰায় ৩৫ কোটি ৮০ লাখ মাৰ্কিন ডলাৰ হ'ব বুলি ঠাৱৰ কৰা হৈছে। ভিয়েটনামৰ চৰকাৰে মধ্য ভিয়েটনামৰ চাৰিখন মহানগৰীৰ বাবে বৰ্তমানলৈ প্ৰায় ১৭৯ কোটি ৩০ লাখ মাৰ্কিন ডলাৰৰ জৰুৰী সাহায্য পুঁজিত অনুমোদন জনাইছে। ভিয়েটনামৰ প্ৰধানমন্ত্ৰী ফাম মিন চিনে উদ্ধাৰ আৰু সাহায্য অভিযান খৰতকীয়া কৰি তোলাৰ বাবে সংশ্লিষ্ট সকলো পক্ষক আহ্বান জনাইছে।

000000

ছিদনীত অনুষ্ঠিত পুৰুষৰ অষ্ট্ৰেলিয়ান অ'পেন ২০২৫ ছিংগলছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে খিতাপ দখল কৰিছে। এইটো তেওঁৰ বছৰটোৰ প্ৰথমটো খিতাপ হিচাপে পৰিগণিত হৈছে। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ভাৰতৰ খেলুৱৈগৰাকীয়ে জাপানৰ যুশ্বি তানাকাক ২১-১৫, ২১-১১ৰ পোনপটীয়া ছেটত পৰাস্ত কৰে।

উল্লেখযোগ্য যে ২০২১ বৰ্ষৰ বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক দখল কৰা লক্ষ্য সেনে বিগত বৰ্ষত লক্ষ্ণৌত অনুষ্ঠিত ছুপাৰ ৩০০ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছিল।

000000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত ক্ৰিকেট টেষ্ট শৃংখলাৰ গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় তথা অন্তিমখন টেষ্টৰ আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই ভোজন বিৰতিৰ পৰলৈ ৭টা উইকেটৰ বিনিময়ত ৪২৮ ৰাণ সংগ্ৰহ কৰিছে। দক্ষিণ আফ্ৰিকাৰ ছেনুৰান মুথুস্বামীয়ে ১০৭ আৰু মেক্ৰো জেনচেনে ৫১ ৰাণ কৰি খেলি আছে। খেলখনত বৰ্তমানলৈ ভাৰতৰ হৈ কুলদীপ যাদৱে তিনিটা উইকেট দখল কৰে। ৰবীন্দ্ৰ জাদেজাই দুটা, যশপ্ৰীত বুমৰা আৰু মহম্মদ ছিৰাজে এটাকৈ উইকেট লাভ কৰে। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে। প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩০ ৰাণত পৰাজিত কৰি সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কৈছে যে ভাৰত আৰু ইজৰাইলৰ ব্যৱসায় খণ্ডৰ দ্ৰুত লাভ সুনিশ্চিত কৰাৰ উদ্দেশ্যে দুয়োখন দেশে তেওঁলোকৰ প্ৰস্তাৱিত মুক্ত বাণিজ্য চুক্তি দুটা পৰ্যায়ত ৰূপায়ণৰ বিষয়টো বিবেচনা কৰি আছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই চুক্তিৰ প্ৰথম পৰ্যায়তেই ইয়াক ৰূপায়ণ কৰাটো সম্ভৱ যাতে ইয়াৰ জৰিয়তে লাভৰ দিশটো অধিক খৰতকীয়া কৰিব পৰা যায়। শ্ৰীগোৱেলে কয় যে সমগ্ৰ বিশ্বৰ বাবে ভাৰতবৰ্ষ এখন অত্যন্ত বিশ্বাসী আৰু নিৰ্ভৰযোগ্য দেশ হিচাপে পৰিগণিত হৈছে।

০০০০০০

**সমাপ্ত**